# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-JUNE-2026
**Time :** 09-00  AM

***Assamese Morning Bulletin***

———————————————

১। শিলিগুড়ি-শিলচৰ সংযোগী পথ নিৰ্মাণৰ কাম চলি আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
২। ১৬ আগষ্টৰ পৰা গুৱাহাটীৰ পদপথৰ ব্যৱসায়সকলৰ সৰ্বাত্মক জৰীপ।
৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত বাহকজনিত ৰোগ সন্দৰ্ভত স্বাস্থ্য বিভাগৰ ব্যাপক সজাগতা কাৰ্যসূচী।
৪। ইৰান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত আজি শান্তি চুক্তি সম্পাদনৰ সম্ভাৱনা। ***আৰু***
৫। অসম কন্যা ঈষাৰাণী বৰুৱাৰ এচিয়ান গেমছৰ ভাৰতীয় দলত স্থান লাভ।

০০০০০০

শিলিগুড়ি-শিলচৰ সংযোগী পথ নিৰ্মাণৰ কাম চলি আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ ১২ বছৰীয়া সফল কাৰ্যকালৰ বাবে কালি  গুৱাহাটীৰ বাজপেয়ী ভৱনত সংবাদগোষ্ঠীৰ সম্পাদকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই কথা প্ৰকাশ কৰে।

ৰাজ্যত ৰূপায়ণ হ'বলগীয়া উন্নয়নমূলক প্ৰকল্প আৰু পথ যোগাযোগ পৰিকল্পনাৰ বিষয়ে সদৰী কৰি তেওঁ কয়, যে গুৱাহাটী-তিনিচুকীয়াৰ মাজত এক্সপ্ৰেছ ক'ৰিড'ৰ নিৰ্মাণ কৰা হ'ব। তেওঁ লগতে বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈ শীঘ্ৰে চাৰিটা লেনযুক্ত পথ নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে।

**(বাইট ঃ ড০ শৰ্মা)**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা ১২ বছৰত অসমৰ বিকাশৰ বাবে ব্যতিক্ৰমী আৰু আন্তৰিকতাপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী এগৰাকী হিতৈশীৰূপত অসমক আগুৱাই লৈ গৈছে বুলিও তেওঁ মন্তব্য কৰে। অসমে চলিত বৰ্ষত ৰাজহ কৰৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰায় ৫০ হাজাৰ কোটি টকা লাভ কৰিব বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে পূৰ্বতে কোনো চৰকাৰে ৰাজ্যক এই পৰ্যায়ৰ বিত্তীয় সমৰ্থন দিয়া নাছিল। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা এই সমৰ্থনৰ বাবেই অসমৰ মুঠ ঘৰুৱা উৎপাদন যথেষ্ট বৃদ্ধি পাইছে। চলিত বৰ্ষত ৰাজ্যৰ মুঠ জনমুৰি আয় আঠ লাখ ৭০ হাজাৰ কোটি টকা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ২০২২-২৩ বিত্তীয় বৰ্ষত ৰাজ্যৰ ৮০ লাখ লোক দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা মুক্ত হৈছে আৰু ইয়াৰ ফলত এটা নতুন মধ্যবিত্ত শ্ৰেণীৰ জন্ম হোৱা বুলি প্ৰকাশ কৰে। নীতি আয়োগৰ বৈঠকৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে ২০২০-২৫ চনৰ ভিতৰত দেশৰ বিকাশৰ হাৰ ২৯ শতাংশ হোৱাৰ বিপৰীতে বিগত পাঁচ বছৰত অসমৰ বিকাশৰ হাৰ ৪৫ শতাংশ হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি অসম দ্ৰুত বিকাশৰ দিশে গতি কৰা ৰাজ্য হিচাপে পৰিগণিত হৈছে।

বাংলাদেশৰ সীমান্ত সম্পূৰ্ণৰূপে বন্ধ কৰা সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কেৱল অসমৰেই নহয় বাংলাদেশৰে সংযুক্ত দেশৰ আন ৰাজ্যৰো সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰিলেহে অবৈধ প্ৰব্ৰজনৰ সমস্যাটো সমাধান হ'ব বুলি কয়।

০০০০০০

অসম মন্ত্ৰীসভাই এতিয়াৰে পৰা ৰাজ্যত ১৮ বছৰৰ ওপৰৰ কোনো লোককে আধাৰ কাৰ্ড দিয়া নহয় বুলি সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি ভৱিষ্যতে ১৮ বছৰ ঊৰ্ধৰ ব্যক্তিক আধাৰ কাৰ্ড প্ৰদান কৰিবলগীয়া হ'লে জিলা আয়ুক্তই ৰাজ্য চৰকাৰৰ অনুমতি ল'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে চাহ জনজাতি আৰু অনুসূচীত জাতি-জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ বাবে ছমাহৰ বাবে বিশেষ ৰেহাই দি অহা বছৰৰ ২৭ মাৰ্চ পৰ্যন্ত আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থাটো বাহাল ৰখা হ'ব।

মন্ত্ৰীসভাই ১ জুলাইৰ পৰা অসমত বিকশিত ভাৰত জি ৰাম জি আঁচনি ৰূপায়ণত অনুমোদন জনাইছে। এই আঁচনিৰ জৰিয়তে গ্ৰাম্য নিয়োগ নিশ্চিত কৰাৰ লগতে সম্পদ সৃষ্টিত গুৰুত্ব আৰোপ কৰা হ'ব আৰু আঁচনিখন ৰূপায়ণ কৰাৰ বাবে চলিত বৰ্ষত দুহেজাৰ কোটি টকা ব্যয় কৰা হ'ব। এই আঁচনিৰ অধীনত পূৰ্বৰ ৯০ দিনৰ পৰিৱৰ্তে এতিয়া ১২৫ দিনৰ বাবে গাঁৱৰ জনসাধাৰণৰ বাবে নিশ্চিত নিয়োগৰ সুবিধা প্ৰদান কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয়, যে মন্ত্ৰীসভাই লোকপ্ৰিয় গোপানীথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ আশে পাশে ছেটেলাইট চিটি নিৰ্মাণৰ উদ্দেশ্যে গুৱাহাটী ছেটেলাইট চিটি উন্নয়ন প্ৰাধিকৰণ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰৰ বৰ্তমানৰ সীমাৰ ভিতৰতে এই প্ৰকল্প আবদ্ধ থাকিব বুলি তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ৬ জুলাইৰ পৰা অসম বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ২১ দিনতকৈ অধিক সময়ৰ বাবে চলিবলগীয়া এই অধিৱেশনতে বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে পূৰ্ণাংগ বাজেট উত্থাপন কৰিব।

০০০০০০

ৰাজ্য চৰকাৰে ১৬ আগষ্টৰ পৰা গুৱাহাটীত পদপথৰ ব্যৱসায়সকলৰ সৰ্বাত্মক জৰীপ চলাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰিছে। গুৱাহাটীৰ বাজপেয়ী ভৱনত কালি সাংবাদিকৰ সৈতে মত বিনিময় অনুষ্ঠানত ড০ শৰ্মাই কয়, যে এই জৰীপৰ সৰু দোকান ক্ষুদ্ৰ প্ৰতিষ্ঠানকে ধৰি পদপথৰ সকলো ব্যৱসায়ীক সামৰি লোৱা হ'ব। ইয়াৰ জৰিয়তে গুৱাহাটী মহানগৰীত কৰ্মসংস্থাপন  আৰু আয়ৰ সুযোগ সম্পৰ্কে জানিব পৰা যাব বুলি তেওঁ মন্তব্য কৰে।

**(বাইট ঃ ড০ শৰ্মা)**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে জৰীপৰ জৰিয়তে গুৱাহাটী মহানগৰীত পদপথৰ ব্যৱসায়ৰ সৈতে জড়িতসকলৰ এখন স্পষ্ট ছবি পৰিস্ফূত হ'ব আৰু তেওঁলোক কোন অঞ্চলৰ পৰা মহানগৰীলৈ আহিছে সেয়াও জানিব পৰা যাব। তেওঁ কয়, যে এই জৰীপে অসমীয়া যুৱক-যুৱতীসকলৰ চকু মুকলি কৰিব আৰু তেওঁলোকক ব্যৱসায়, বাণিজ্য আৰু স্বনিয়োজনৰ ক্ষেত্ৰৰ ব্যাপক অৰ্থনৈতিক সুযোগ সম্পৰ্কে বুজাত সহায় কৰিব।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কমেও ৩৮ জন লোক বাহকজনিত ৰোগত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে ব্যাপক সজাগতা কাৰ্যসূচী গ্ৰহণ কৰিছে। জুন-জুলাই মাহত জাপানী এনকেফেলাইটিছ ৰোগৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি এই ৰোগৰ পৰা হাত সাৰি থকাৰ বাবে সজাগ হ'বলৈ স্বাস্থ্য বিভাগে জনসাধাৰণক আহ্বান জনাইছে। বিশেষ সূত্ৰ অনুসৰি ৰাজ্যত জাপানী এনকেফেলাইটিছ আৰু এনে ধৰণৰ লক্ষণযুক্ত ৰোগত আক্ৰান্ত হৈ চলিত বছৰত কমেও ৮ জন লোকৰ মৃত্যু হৈছে। ইয়াৰ ভিতৰত কামৰূপ

আৰু লখিমপুৰত দুজনকৈ, বৰপেটা, কাছাৰ, যোৰহাট আৰু কামৰূপ মহানগৰত এজনকৈ লোকৰ মৃত্যু হৈছে। আনহাতে কামৰূপ মহানগৰ, বাক্সা, বৰপেটা, কাছাৰ, চৰাইদেউ, গোৱালপাৰা, হাইলাকান্দি, যোৰহাট আৰু কামৰূপত জাপানী এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হৈ কেইবাজনো ৰোগ চিকিৎসাধীন হৈ আছে। এনেধৰণৰ ৰোগত ছয় শতাধিক লোক আক্ৰান্ত হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমে এই ৰোগৰ পৰা হাত সৰাৰ বাবে জনসাধাৰণক মহৰ প্ৰজনন হোৱা স্থানসমূহ পৰিষ্কাৰ কৰি ৰাখিবলৈ আহ্বান জনাইছে। তদুপৰি তীব্ৰ জ্বৰ, মূৰৰ বিষ, শৰীৰৰ অস্বাভাৱিক কঁপনি, কথা ক'বলৈ অসুবিধা পোৱা আৰু অচেতন হৈ পৰা লক্ষণ দেখা মাত্ৰেই চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী তথা কামৰূপ মহানগৰ জিলা অভিভাৱক মন্ত্ৰী অতুল বৰাই কালি জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগসমূহৰ কাম-কাজ পৰ্যালোচনা কৰে। জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে অনুষ্ঠিত বৈঠকত মন্ত্ৰীগৰাকীয়ে বিভাগীয় কাম-কাজৰ খতিয়ান লয়। তেওঁ নিৰ্ধাৰিত সময়ৰ ভিতৰত চৰকাৰৰ উন্নয়নমূলক আঁচনিসমূহ ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কোনো হিতাধিকাৰীয়ে যাতে কল্যাণকামী আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈও তেওঁ বিষয়াসকলক আহ্বান জনায়। এই সন্দৰ্ভত সাংবাদিক আগত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়—

**বাইট (অতুল বৰা)**

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানৰ সৈতে যুদ্ধৰ অৱসান ঘটোৱাৰ বাবে আজি এখন শান্তি চুক্তি সম্পাদনৰ সম্ভাৱনা আছে আৰু ইয়াৰ পাছতে কৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ হৰমুজ প্ৰণালী সকলোৰে বাবে মুকলি হ'ব বুলি ঘোষণা কৰিছে। শ্ৰী ট্ৰাম্পে সামাজিক মাধ্যমযোগে এই কথা ঘোষণা কৰে। তেওঁ কয়, যে চুক্তি সম্পাদনত ব্যৰ্থ হ'লে অন্তিম বিকল্পৰ পথ খোলা থাকিব। তেওঁ লগতে ২০১৫ চনৰ যুটীয়া সৰ্বাত্মক কাৰ্য পৰিকল্পনাৰ সৈতে প্ৰস্তাৱিত শান্তি চুক্তিখনৰ তুলনা কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে তেওঁৰ প্ৰস্তাৱিত চুক্তিৰ ফলত ইৰানৰ পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ বিৰুদ্ধে পূৰ্ণ প্ৰতিবন্ধকতা আৰোপ কৰিব পৰা যাব। ইৰানৰ পাৰমাণৱিক কাৰ্যসূচী ফলপ্ৰসূভাৱে নিয়ন্ত্ৰণ কৰিব পৰা গৈছে আৰু অৱশিষ্ট পাৰমাণৱিক সামগ্ৰীসমূহ নষ্ট কৰা হ'ব বুলি তেওঁ দাবী কৰে। ইপিনে ইৰানৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ইছমাইল বাঘেইয়ে কয়, যে শীঘ্ৰে কোনো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা নাই। তেওঁ কয়, যে চুক্তি আজি সম্পাদিত নহয়, অনাগত সময়ত এয়া সম্ভৱ হ'ব পাৰে।

০০০০০০

আজি বিশ্ব ৰক্তদাতা দিৱস পালন কৰা হৈছে। ৰক্তদানৰ প্ৰতি বিশ্বজুৰি সজাগতা সৃষ্টিৰ বাবে এই দিৱস পালন কৰা হয়। এইবাৰৰ এই দিৱসৰ বিষয় হৈছে— **মানৱতাৰ বাবে এটোপাল, ৰক্তদান কৰক, জীৱন ৰক্ষা কৰক**। অসমতো আজি বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগত বিশ্ব ৰক্তদাতা দিৱসৰ কাৰ্যসূচী লোৱা হৈছে। এই উপলক্ষে ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে সংবাদ মাধ্যমযোগে দিয়া এটা বাৰ্তাত জনসাধাৰণৰ সামূহিক স্বাস্থ্য উন্নত কৰাৰ ক্ষেত্ৰত ৰক্তদাতাসকলৰ অপৰিসীম ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে স্বাস্থ্য খণ্ডত প্ৰয়োজন

হোৱা পৰিশোধিত ৰক্ত কেৱল স্বেচ্ছামূলক ৰক্তদাতাসকলৰ জৰিয়তে পূৰণ কৰিব পাৰি। এই নিঃস্বাৰ্থ সেৱাৰ বাবে ৰক্তদাতাসকলৰ ওচৰত চিৰ কৃতজ্ঞ বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অনুজ্ঞাপ্ৰাপ্ত ৰক্ত কেন্দ্ৰ আৰু চৰকাৰী ৰক্ত কেন্দ্ৰৰ পৰাহে ৰক্ত গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। ৰক্তদানৰ জৰিয়তে এখন সুস্থ সমাজ গঢ়াৰ বাবেও তেওঁ জনসাধাৰণক আহ্বান জনায়।

০০০০০০

অসমৰ ঈষাৰাণী বৰুৱাই এচিয়ান গেমছৰ বাবে কালি ঘোষণা কৰা ভাৰতীয় দলটোত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। প্ৰতিভাবান খেলুৱৈগৰাকীয়ে ১৯ ছেপ্তেম্বৰৰ পৰা ৪ অক্টোবৰলৈ জাপানত হ'বলগীয়া প্ৰতিযোগিতাখনত ৰাজ্যৰ একমাত্ৰ খেলুৱৈ হিচাপে স্থান লাভ কৰিছে। দেশৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু আৰু সাত্বিকসাইৰাজ ৰনকীৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীটোৱে প্ৰতিযোগিতাত ভাৰতীয় দলক নেতৃত্ব দিব।

০০০০০০

আইচিচি মহিলা টি-২০ ক্ৰিকেট বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাৰ্মিংহামৰ এজবেষ্টনত হবলগীয়া এখন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ন হ'ব। খেলখন  ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। মহিলা টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত পাকিস্তানৰ বিৰুদ্ধে সদায় উন্নত প্ৰদৰ্শন কৰি অহা ভাৰতে শেহতীয়া **১৬**খন খেলৰ ভিতৰত **১৩**খনতে জয়লাভ কৰিছে।

ইপিনে, বিশ্বকাপৰ গ্ৰুপ-বি' এখন খেলত কালি স্কটলেণ্ডে আয়াৰলেণ্ডক ৪০ ৰানত পৰাস্ত কৰে। স্কটলেণ্ডে মানচেষ্টাৰৰ অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই **১৬১** ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আয়াৰলেণ্ডে **১৯** অ'ভাৰ আৰু **১** বলত আটাইকেইটা উইকেট হেৰুৱাই **১২১** ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱা অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেলত স্কটলেণ্ডে হাইটিক ১-০ গ'লত পৰাস্ত কৰে। ইপিনে কাটাৰ আৰু ছুইজাৰলেণ্ডৰ মাজত ছান ফ্ৰেন্সিচকো বে' এৰিয়া ষ্টেডিয়ামত হোৱা গ্ৰুপ-বিৰ খেলখন ১-১ গ'লত ড্ৰ' হয়। খেলখনত  বি এম্বলোৱে দিয়া গ'লেৰে ছুইজাৰলেণ্ডে অগ্ৰগতি লাভ কৰে যদিও খেলৰ অতিৰিক্ত সময়ত  কাটাৰে এম মুহিমৰ গ'লেৰে  সমতা স্থাপন কৰে।

ইয়াৰ পূৰ্বে আজি পুৱতি নিশা চাৰে ৩ বজাত অনুষ্ঠিত ব্ৰাজিল আৰু মৰক্কোৰ মাজৰ খেলখনো ১-১ গ'লত ড্ৰ' হয়।

০০০০০০

যোৰহাটত কালি ভাৰতীয় বায়ুসেনাৰ বিমান দুৰ্ঘটনাত ৫ গৰাকী বিষয়া-জোৱানৰ বিয়োগৰ বাতৰিটো আজি গুৱাহাটীৰপৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। আমাৰ অসম কাকতে বাতৰিটো - "যোৰহাটত বায়ুসেনাৰ কাৰ্গো বিমান অগ্নিকুণ্ডত পৰিণত, নিহত ৫ বিষয়া" শিৰোনামেৰে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতত বাতৰিটোৰ শিৰোনাম - "অৰুণাচলৰ পৰা আহি অৱতৰণৰ মুহূৰ্ততে প্ৰচণ্ড বিস্ফোৰণ - ৰৌৰিয়াত বায়ুসেনাৰ ঘাটিত ভয়ংকৰ বিমান দুৰ্ঘটনা"। দি আছাম ট্ৰিবিউন

কাকতে বাতৰিটোৰ শিৰোনাম দিছে - "5 IAF PERSONNEL KILLED AS AN-32 TRANSPORT PLANE CRASHES IN JORHAT" .

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত হোৱা কেবিনেট বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ সন্দৰ্ভতো আজি কেইবাটাও বাতৰি বিস্তাৰিতৰূপত প্ৰকাশ কৰা হৈছে। এই সম্পৰ্কীয় দুটাকৈ বাতৰি দৈনিক অসম কাকতে ক্ৰমে - "আগষ্টৰপৰা আৰম্ভ হ'ব অৰুণোদয়কে ধৰি ৰাজ্য চৰকাৰৰ সকলো আঁচনিৰ কাম" আৰু "এতিয়াৰপৰা ৰাজ্যত ১৮ বছৰৰ ওপৰৰ কোনো লোকে নাপাব আধাৰ কাৰ্ড" শিৰোনামেৰে প্ৰকাশ কৰিছে। দা ছেন্টিনেল কাকতত এটা বাতৰিৰ শীৰ্ষক - "STATE CABINET BANS FRESH AADHAAR ENROLMENT FOR ADULTS"। অসমীয়া খবৰ কাকতেও ''১ জুলাইৰপৰা গ্ৰামাঞ্চলত ভিবিৰামজী'' শিৰোনামেৰে কেবিনেট সম্পৰ্কীয় এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত 'মিডিয়া কনক্লেভ'ত অংশ লৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা বিভিন্ন মন্তব্যক অসমীয়া প্ৰতিদিনকে ধৰি আজি প্ৰায়কেইখন কাকতে অগ্ৰাধিকাৰ দিছে। দৈনিক জনমভূমি কাকতে অন্যান্য বাতৰিসমূহৰ লগতে অৰুণাচলত সংঘটিত বাহন দুৰ্ঘটনাত লখিমপুৰ জিলাৰ নাওবৈচাৰ ৫জন যুৱকৰ মৃত্যু হোৱাৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক আমি বাতৰিৰ মাজলৈ উভতি যাওঁ।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনিৰে বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**